**2022**

# ECONOMICS

Paper : ECO–HC–2026

**( Mathematical Methods in Economics—II )**

( Honours Core )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

**1.** Answer the following as directed (any *ten*) : $1\times10=10$

তলত দিয়াসমূহৰ নিৰ্দেশ অনুযায়ী উত্তৰ দিয়া (যি কোনো দহটা) :

(a) Write a unit matrix of order $3\times3$.

$3\times3$ ক্ৰমৰ এটা একক মৌলকক্ষ লিখা।

(b) If the two rows (or columns) of a determinant are identical, the value of the determinant will be _____ (zero/one). ( Fill in the blank )

যদি এটা নিৰ্ধাৰকৰ দুটা শাৰী (বা স্তম্ভ) একে হয়, তেন্তে নিৰ্ধাৰকটোৰ মান হ'ব _____ (শূন্য/এক)।

( খালী ঠাই পূৰণ কৰা )

(c) All differentiable functions are continuous, but not all continuous functions are differentiable.

( Write True or False )

সকলো অৱকলনীয় ফলনেই অবিচ্ছিন্ন হয়, কিন্তু সকলো অবিচ্ছিন্ন ফলনেই অৱকলনীয় নহয়।

( সত্য নে অসত্য লিখা )

(d) Is $(AB)' = B'A'$ correct?

$(AB)' = B'A'$ শুদ্ধ হয়নে?

(e) Every homogeneous function is homothetic, but all homothetic functions may not be homogeneous.

( Write True or False )

প্ৰত্যেক সদৃশ ফলনেই সমৰূপ হয়, কিন্তু সকলো সমৰূপ ফলনেই সদৃশ ফলন নহ'বও পাৰে।

( সত্য নে অসত্য লিখা )

(f) Define idempotent matrix.

বৰ্গসম মৌলকক্ষৰ সংজ্ঞা দিয়া।

(g) Having an objective function with two explanatory variables and one equality constraint, the order of the second-order bordered Hessian determinant will be

এটা অভিলক্ষ্য ফলনসহ দুটা স্বতন্ত্ৰ চলক আৰু সমান প্ৰতিবন্ধক থকা সীমাস্থিত 'হেছিয়ান' নিৰ্ধাৰকৰ দ্বিতীয় ক্ৰম হ'ব

(i) $2 \times 2$

(ii) $3 \times 3$

(iii) $4 \times 4$

(iv) $2 \times 3$

( Choose the correct answer )

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

(h) What is the rank of a null matrix?

এটা ৰিক্ত মৌলকক্ষৰ অনুস্থিতি কি হ'ব?

(i) Is $x^2 + y^2 = 1$ an implicit function?

$x^2 + y^2 = 1$ এটা অন্তৰ্নিহিত ফলন হয়নে?

(j) If $I$ is a unit matrix, then $5I$ will be

যদি $I$ এটা একক মৌলকক্ষ হয়, তেন্তে $5I$ হ'ব

(i) a triangular matrix / এটা ত্ৰিভুজীয় মৌলকক্ষ

(ii) a unit matrix / এটা একক মৌলকক্ষ

(iii) a scalar matrix / এটা অদিশ মৌলকক্ষ

(iv) a vector / এটা সদিশ ৰাশি

( Choose the correct answer )

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

(k) What is the trace of the matrix $\begin{bmatrix} 5 & 2 \\ 1 & 3 \end{bmatrix}$?

$\begin{bmatrix} 5 & 2 \\ 1 & 3 \end{bmatrix}$ মৌলকক্ষটোৰ অনুৰেখ কি হ'ব?

(l) The solution of a differential equation of first-order consists of

প্ৰথম-ক্ৰমৰ এটা অৱকলনীয় সমীকৰণৰ সমাধানত থাকে

(i) complementary solution / পৰিপূৰক সমাধান

(ii) particular solution / বিশেষ সমাধান

(iii) Both (i) and (ii) / (i) আৰু (ii) দুয়োটা

(iv) trial solution / পৰীক্ষণ সমাধান

( Choose the correct answer )

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

(m) Define saddle point.

পৰ্যাণ বিন্দুৰ সংজ্ঞা দিয়া।

(n) Difference equation is used in discrete/continuous time analysis.

বিৰত/অবিৰত সময় বিশ্লেষণত ভেদ সমীকৰণ ব্যৱহৃত হয়।

( Choose the correct option )

( শুদ্ধ বিকল্পটো বাছি উলিওৱা )

(o) Cobweb model is very appropriate for

মকৰাজাল আৰ্হিটো বেছি অৰ্থবহ হয়

(i) agricultural products
কৃষিজাত দ্ৰব্যৰ বাবে

*(ii)* industrial products

ঔদ্যোগিক দ্ৰব্যৰ বাবে

*(iii)* Both *(i)* and *(ii)*

*(i)* আৰু *(ii)* দুয়োটা

*(iv)* service

সেৱা সামগ্ৰীৰ বাবে

( Choose the correct answer )

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

**2.** Answer the following questions (any *five*) : 2×5=10

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো পাঁচটা) :

*(a)* Give an example of a diagonal matrix.

এটা বিকৰ্ণ মৌলকক্ষৰ উদাহৰণ দিয়া।

*(b)* Prove that for any scalar $\lambda$

$$\lambda(A+B)=\lambda A+\lambda B$$

যি কোনো অদিশ ৰাশি $\lambda$ৰ বাবে প্ৰমাণ কৰা যে

$$\lambda(A+B)=\lambda A+\lambda B$$

*(c)* Give an economic interpretation of Lagrange multiplier.

লাগ্ৰাঞ্জ গুণকৰ অৰ্থনৈতিক ব্যাখ্যা আগবঢ়োৱা।

*(d)* Define vector space with example.

উদাহৰণসহ সদিশ স্থলৰ সংজ্ঞা দিয়া।

(e) Find the norm of the following matrix :

তলত দিয়া মৌলকক্ষটোৰ মানক উলিওৱা :

$$A = \begin{bmatrix} 3 & 2 & 6 \\ 6 & 4 & 12 \\ 5 & 3 & 10 \end{bmatrix}$$

(f) Define intertemporal equilibrium.

আন্তঃসাময়িক ভাৰসাম্যৰ সংজ্ঞা দিয়া।

(g) Find the rank of the following matrix :

তলৰ মৌলকক্ষটোৰ অনুস্থিতি নিৰ্ণয় কৰা :

$$A = \begin{bmatrix} -5 & -3 \\ 15 & 9 \end{bmatrix}$$

(h) Define homothetic function with example.

উদাহৰণসহ সমৰূপ ফলনৰ সংজ্ঞা দিয়া।

**3.** Answer the following questions (any *four*) : 5×4=20

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো চাৰিটা) :

(a) Prove that

প্ৰমাণ কৰা যে

$$N(AB) \leq N(A)\, N(B)$$

(b) Evaluate the following determinant :

তলত দিয়া নিৰ্ধাৰকটোৰ মান নিৰ্ণয় কৰা :

$$\begin{vmatrix} x & 5 & 0 \\ 3 & y & 2 \\ 9 & -1 & 8 \end{vmatrix}$$

(c) Find the extreme value of the following function :

তলত দিয়া ফলনটোৰ চৰম মান নিৰ্ণয় কৰা :

$$Z = x^2 + xy + 2y^2 + 3$$

(d) Find $A^2 - 5A + 7I$ from the following matrix :

তলত দিয়া মৌলকক্ষৰ পৰা $A^2 - 5A + 7I$ নিৰ্ণয় কৰা :

$$A = \begin{bmatrix} 3 & 2 \\ 5 & -1 \end{bmatrix}$$

(e) Determine whether the following function is homogeneous. If so, of what degree?

তলত দিয়া ফলনটো সদৃশ ফলন হয় নে নহয়, নিৰ্ণয় কৰা। যদি হয়, তেন্তে কিমান মাত্ৰাৰ ?

$$f(x, y, w) = \frac{xy^2}{w} + 2xw$$

(f) Prove that if a function $f(x)$ is differentiable at a point $x = c$, then $f(x)$ is continuous at $x = c$.

প্ৰমাণ কৰা যে যদি এটা ফলন $f(x)$, $x = c$ বিন্দুত অৱকলনীয় হয়, তেন্তে ফলনটো $x = c$ বিন্দুত অবিচ্ছিন্নও হ'ব।

(g) Given $X' = [x_1 \;\; x_2 \;\; x_3]$, write out the column vector $X$ and find $XX'$.

যদি $X' = [x_1 \;\; x_2 \;\; x_3]$ দিয়া থাকে, তেন্তে সদিশ স্তম্ভ $X$ কি হ'ব, লিখা আৰু $XX'$ নিৰ্ণয় কৰা।

(h) Prove that the Cobb-Douglas production function $Q = AK^{\alpha}L^{\beta}$ is a linearly homogeneous production function, if $\alpha + \beta = 1$.

প্ৰমাণ কৰা যে যদি $\alpha + \beta = 1$ হয়, তেন্তে ক'ব-ডগ্লাচৰ উৎপাদন ফলন $Q = AK^{\alpha}L^{\beta}$ এটা সৰলৰৈখিক মাত্ৰাৰ সদৃশ উৎপাদন ফলন হয়।

4. Answer the following questions (any *four*) : 10×4=40

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো চাৰিটা) :

(a) Solve the following simple national income model using the method of *(i)* Cramer's rule and *(ii)* matrix inversion : 5+5=10

তলত দিয়া সৰল জাতীয় আয়ৰ আৰ্হিটো *(i)* ক্ৰেমাৰৰ পদ্ধতি আৰু *(ii)* প্ৰতিলোমীয় মৌলকক্ষৰ পদ্ধতিৰে সমাধান কৰা :

$$Y = C + I_0 + G_0$$

$$C = a + bY \qquad (a > 0,\ 0 < b < 1)$$

*(b)* A price discriminating firm has the following average revenue functions :

$$P_1 = 63 - 4Q_1$$

$$P_2 = 105 - 5Q_2$$

$$P_3 = 75 - 6Q_3$$

If total cost function $C = 20 + 15Q$, then find the equilibrium outputs and equilibrium prices. 5+5=10

দৰ বিভেদীকৰণ কৰা উৎপাদন প্ৰতিষ্ঠান এটাৰ গড় আয় ফলনবোৰ তলত দিয়া হৈছে

$$P_1 = 63 - 4Q_1$$

$$P_2 = 105 - 5Q_2$$

$$P_3 = 75 - 6Q_3$$

মুঠ ব্যয় ফলনটো যদি $C = 20 + 15Q$ হয়, তেন্তে ভাৰসাম্য উৎপাদনৰ পৰিমাণ আৰু ভাৰসাম্য দৰ উলিওৱা ।

*(c)* A monopolist produces his product in two different plants and his total cost (*TC*) function of the two plants are given by

$$TC_1 = 10 - 2Q_1 + Q_1^2$$

$$TC_2 = 15 - 6Q_2 + 2Q_2^2$$

If the average revenue ($AR$) function is given by $AR = 50 - 2Q$, then find—

*(i)* profit maximizing outputs;

*(ii)* maximum profit. 5+5=10

এজন একচেটীয়া বিক্ৰেতাই দুটা ভিন্ন প্ৰকল্পত উৎপাদন কৰা সামগ্ৰীৰ ব্যয় ($TC$) ফলন হ'ল

$$TC_1 = 10 - 2Q_1 + Q_1^2$$
$$TC_2 = 15 - 6Q_2 + 2Q_2^2$$

যদি গড় আয় $AR = 50 - 2Q$ হয়, তেন্তে—

*(i)* সৰ্বোচ্চ লাভ অৰ্জনকাৰী উৎপাদনৰ পৰিমাণসমূহ;

*(ii)* সৰ্বোচ্চ লাভ নিৰ্ণয় কৰা।

*(d)* For each $F(x, y) = 0$ use the implicit function rule to find $\frac{dy}{dx}$ : 5+5=10

অন্তৰ্নিহিত ফলনৰ নিয়ম প্ৰয়োগ কৰি তলত দিয়া প্ৰতিটো $F(x, y) = 0$ ফলনৰ পৰা $\frac{dy}{dx}$ নিৰ্ণয় কৰা :

*(i)* $F(x, y) = y - 6x + 7 = 0$

*(ii)* $F(x, y) = 3x^2 + 2xy + 4y^3 = 0$

*(e)* Solve the following differential equation :

তলত দিয়া অৱকলনীয় সমীকৰণটো সমাধান কৰা :

$$\frac{dy}{dt} + 4y = 12, \quad y(0) = 2$$

(f) Solve the following first-order difference equation :

তলত দিয়া প্ৰথম-ক্ৰমৰ ভেদ সমীকৰণটো সমাধান কৰা :

$$y_{t+1} - 5y_t = 1, \quad y(0) = \frac{7}{4}$$

(g) The consumer's utility function and budget constraint are given as follows :

$$U = 18xy + 9y \quad \text{subject to } 6x + 3y = 15$$

Find out optimum purchase of $x$ and $y$ which will maximize the utility of the consumer.

উপভোক্তাৰ উপযোগিতা ফলন আৰু বাজেট প্ৰতিবন্ধক ক্ৰমান্বয়ে তলত দিয়া আছে :

$$U = 18xy + 9y \quad \text{সাপেক্ষে } 6x + 3y = 15$$

উপভোক্তাৰ উপযোগিতা সৰ্বাধিক হোৱাৰ বাবে $x$ আৰু $y$ সামগ্ৰীৰ ক্ৰয় কিমান হ'ব লাগিব, নিৰ্ণয় কৰা।

(h) A producer's cost function (C) and production function (Q) are given below. Find the optimum combination of inputs [labour ($L$) and capital ($K$)] in order to minimize the cost of production

$$C = 2L + 4K \text{ subject to } Q = 8L^{\frac{1}{4}}K^{\frac{1}{2}} = 64$$

( Turn Over )

এজন উৎপাদকৰ ব্যয় ফলন ($C$) আৰু উৎপাদন ফলন ($Q$) তলত দিয়া হৈছে। ব্যয় সৰ্বনিম্ন কৰাৰ বাবে উৎপাদনৰ উপাদান [শ্ৰম ($L$) আৰু মূলধন ($K$)]ৰ সৰ্বোত্তম সংমিশ্ৰণ কি হ'ব, নিৰ্ণয় কৰা :

$$C = 2L + 4K \quad \text{সাপেক্ষে} \quad Q = 8L^{\frac{1}{4}}K^{\frac{1}{2}} = 64$$

(i) Find equilibrium income ($\overline{Y}$), consumption ($\overline{C}$) and tax revenue ($\overline{T}$) from the following simple national income model :

তলত দিয়া সৰল জাতীয় আয়ৰ আৰ্হিৰ পৰা ভাৰসাম্য আয় ($\overline{Y}$), ভোগ ব্যয় ($\overline{C}$) আৰু কৰ ৰাজহ ($\overline{T}$) নিৰ্ণয় কৰা :

$$Y = C + I_0 + G_0$$
$$C = 200 + 0 \cdot 8\,(Y - T)$$
$$T = 50 + 0 \cdot 3Y$$
$$I_0 = 500$$
$$G_0 = 400$$

(j) Analyze the following market model for stability :

তলত দিয়া বজাৰ আৰ্হিটোৰ সুস্থিৰতা বিশ্লেষণ কৰা :

$$Q_d = 14 - 3P$$
$$Q_s = -10 + 2P$$
$$\frac{dp}{dt} = 4(Q_d - Q_s)$$

★★★